C. S. (Main) Exam : 2011

Sl. No.  D–DTN–L–BTA

ASSAMESE

Paper—I

(Literature)

Time Allowed : Three Hours	Maximum Marks : 300

INSTRUCTIONS

Candidates should attempt Question Nos. 1 and 5 which are compulsory, and any THREE of the remaining questions, selecting at least ONE question from each Section.

The number of marks carried by each question is indicated at the end of the question.

Answers must be written in Assamese.

Section—A

1. তলৰ চাৰিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *150* কৈ শব্দৰ ভিতৰত লিখিবাঁ : 15×4=60

(a) অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কে ভাষাবিজ্ঞানীসকলে ব্যক্ত কৰা অভিমতসমূহ বিশ্লেষণ কৰি কোনটো অভিমত তুমি গ্ৰহণযোগ্য বুলি ভাবা, যুক্তি সহকাৰে লিখাঁ।

(b) অসমীয়া ভাষাৰ ব্যঞ্জনবৰ্ণবোৰৰ উচ্চাৰণস্থান আৰু উচ্চাৰণৰ ধৰণ অনুযায়ী এখন তালিকা প্ৰস্তুত কৰাঁ।

(c) অসমীয়া ভাষাৰ নিৰ্দ্দিষ্টতাবাচক প্ৰত্যয়বোৰৰ ব্যৱহাৰ কিদৰে কৰা হয়, উপযুক্ত উদাহৰণ দি ব্যাখ্যা কৰাঁ।

(d) উপভাষা বুলিলে কি বুজা? কামৰূপী উপভাষাৰ লগত অসমীয়া মান্যভাষাৰ ৰূপগত আৰু ধ্বনিগত পাৰ্থক্যবোৰ বিশ্লেষণ কৰাঁ।

Optional Province · optionalprovince.com

2. *(a)* অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰলৈ কোন কোন জনগোষ্ঠীৰ ভাষাৰ শব্দৰ প্ৰৱেশ ঘটিছে, আলোচনা কৰাঁ।

(b) অসমৰ ঠাইৰ নামত জীৱ-জন্তু আৰু গছ-গছনিৰ নাম সম্পৰ্কে এটি চমু আলোচনা যুগুত কৰাঁ। 30×2=60

3. *(a)* বামুণীয়া, গড়গঞা আৰু কায়থেলি লিপিৰ বিকাশ আৰু বৈশিষ্ট্য সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰাঁ।

(b) অমসীয়া লিপিৰ মূল বিচাৰ কৰি এটি আলোচনা প্ৰস্তুত কৰাঁ। 30×2=60

4. *(a)* আৰম্ভণিৰ পৰা ঊনবিংশ শতিকাৰ সমাপ্তিলৈকে অসমীয়া গদ্যৰ গতিধাৰাৰ এটি সমীক্ষা উপস্থাপন কৰাঁ।

(b) 'কথা-ভাগৱত' আৰু 'কথা-গুৰুচৰিত'ৰ ভাষাৰ মৌলিক পৃথকতাসমূহ দেখুৱাই আলোচনা এটি দাঙি ধৰাঁ। 30×2=60

Section—B

5. তলৰ চাৰিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *150* কৈ শব্দৰ ভিতৰত লিখিবাঁ : 15×4=60

(a) পাশ্চাত্য সাহিত্যৰ প্ৰভাৱত আধুনিক অসমীয়া সাহিত্যত কি কি নতুন ৰূপ (Literary forms) গঢ়ি উঠিছে, আলোচনা কৰাঁ।

(b) অঙ্কীয়া নাটসমূহৰ ৰচনাকৌশল আৰু বৈশিষ্ট্যসমূহ বিচাৰ কৰাঁ।

(c) ৰোমাণ্টিক সাহিত্যৰ লক্ষণ আৰু অসমীয়া কবিতাত এনে লক্ষণৰ প্ৰকাশ সম্পৰ্কে এটি চমু আলোচনা কৰাঁ।

(d) যুদ্ধোত্তৰ অসমীয়া সমালোচনা-সাহিত্যৰ বিষয়ে পৰিচয় দি এটি চমু প্ৰবন্ধ যুগুত কৰাঁ।

Optional Province · optionalprovince.com

6. *(a)* ভক্তিতত্ত্ব নিৰূপক গ্ৰন্থৰূপে 'নামঘোষা'ৰ বিশেষত্ব কি, যথাযথভাৱে আলোচনা কৰাঁ।

(b) পাঁচালী সাহিত্য বুলিলে কি বুজা? অসমীয়া পাঁচালী কবিসকলৰ চমু পৰিচয় দিয়াঁ। 30×2=60

7. *(a)* 'অসমীয়া সাহিত্যৰ যুগ-বিভাগ' এই বিষয়ে অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জী-প্ৰণেতাসকলৰ বিচাৰ দাঙি ধৰি এটি আলোচনা আগবঢ়োৱাঁ।

(b) ব্যাখ্যা কৰাঁ :

"আলোচনী কাকতেই অসমীয়া আধুনিক সাহিত্যৰ জন্ম আৰু বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।" 30×2=60

8. *(a)* লক্ষ্মীনাথ বেজবৰুৱাৰ 'কৃপাবৰী ৰচনা' সম্পৰ্কে এটি আলোচনা দাঙি ধৰাঁ।

(b) চমু টোকা লিখাঁ :

মিৰি-জীয়ৰী; কাৰেঙৰ লিগিৰী; হে' অৰণ্য হে' মহানগৰ; ইয়াৰুইংগম; ৰামধেনু। 30×2=60

★ ★ ★

Optional Province · optionalprovince.com